অসম বিধান সভা

উত্তৰ দানৰ তাৰিখ –২৮/০৭/২০২৬

**তৰা চিহ্নিত প্ৰশ্ন নং** : ২৫৯

বিষয় : জল জীৱন আঁচনিৰ বাহিৰেও প্ৰয়োজন সাপেক্ষে পানীযোগানৰ অন্য ব্যৱস্থা সম্পৰ্কে।

বিধায়ক : শ্ৰী টংকেশ্বৰ ৰাভা :

**মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:**

দুধনৈ জনজাতীয় বিধান সভা সমষ্টিত জল জীৱন মিছনৰ অধিকাংশ আঁচনি সম্পূৰ্ণ হোৱাৰ পিছতো খৰাং ঋতুত নিয়মীয়া পানী যোগান ব্যাহত হোৱা আৰু ভূগৰ্ভস্থ জলস্তৰ নিম্নগামী হোৱাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণক পানীৰ সমস্যা সমাধানৰ বাবে চৰকাৰে অন্য ব্যৱস্থা গ্ৰহণ কৰিব নেকি? জনাব।

**উত্তৰ**

**জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত কৃষ্ণেন্দু পাল মহোদয়ে উত্তৰ দিব।**

জল জীৱন মিছনৰ অধীনত জল উৎসৰ বহনক্ষমতাৰ পৰিকল্পনা আৰু ৰূপায়নৰ কাম অভিসৰণ অৰ্থাৎ Convergence পদ্ধতিৰ দ্বাৰা VB-G RAM G, WDC PMKSY 2.0 আদিৰ সহায়ত ব্যৱস্থাপনা গ্ৰহণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। JJM 2.0 নিৰ্দেশনাৱলীত উল্লেখ কৰা হৈছে যে জল উৎসৰ বহনক্ষমতাৰ পৰিকল্পনাৰ বাবে কেন্দ্ৰীয় ভাৱে এক Decision Support System প্ৰৱৰ্তন কৰা হ'ব যাৰ সহায়ত জিলা পৰ্যায়ত জল উৎসৰ বহনক্ষমতাৰ পৰিকল্পনা আৰু ৰূপায়ন সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব।

দুধনৈকে আদি কৰি অসমৰ বিভিন্ন প্ৰান্তৰ জল উৎস বহনক্ষমতাৰ বাবে প্ৰাথমিক কাৰিকৰী অধ্যয়নৰ ব্যৱস্থা বিভাগৰ তৰফৰ পৰা ইতিমধ্যে গ্ৰহণ কৰা হৈছে আৰু Decision Support System টো সম্পূৰ্ণ কাৰ্য্যক্ষম হলেই এই প্ৰক্ৰিয়া পৰ্যায়ক্ৰমে ৰূপায়ন কৰা হ'ব।